**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 08-03-2025
**Time :** 1340 hrs

ASSAMESE MORNING BULLETIN
**HEADLINES**
**::::::::::::::::::::**

১।	আন্তৰ্জাতিক নাৰী দিৱস উদযাপনৰ লগত সংগতি ৰাখি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে আজি গুজৰাটৰ নৰছাৰি জিলাত লাখপতি দিদি আঁচনিৰ ১০গৰাকী হিতাধিকাৰীৰ সৈতে মত বিনিময় কৰে।

২।	প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আন্তৰ্জাতিক নাৰী দিৱস উপলক্ষে আজি এদিনৰ বাবে তেওঁৰ সামাজিক মাধ্যমৰ একাউণ্ট অনুপ্ৰেৰণাদায়ক নাৰীসকলৰ হাতত অৰ্পণ কৰে।

৩।	আন্তৰ্জাতিক নাৰী দিৱস উপলক্ষে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আৰু উপ ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে দেশবাসীলৈ শুভেচ্ছা জনাইছে।

৪।	আন্তঃৰাষ্ট্ৰীয় নাৰী দিৱস উপলক্ষে আজি নতুন দিল্লীত নাৰী শক্তিৰে বিকশিত ভাৰত শীৰ্ষক এখন দিনজোৰা সমাৰোহৰ আয়োজন কৰা হৈছে। এই ৰাষ্ট্ৰীয় সমাৰোহখনত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰে সভাপতিত্ব কৰিছে।

**আৰু**

৫।	আই চি চি চেম্পিয়নছ্ ট্ৰফী ক্ৰিকেট প্ৰতিযোগিতাৰ কাইলৈ ডুবাই ক্ৰিকেট ষ্টেডিয়ামত হ'বলগীয়া ফাইনেলত ভাৰত, নিউজিলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০০০

আন্তৰ্জাতিক নাৰী দিৱস উদযাপনৰ লগত সংগতি ৰাখি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে আজি গুজৰাটৰ নৰছাৰি জিলাত লাখপতি দিদি আঁচনিৰ ১০গৰাকী হিতাধিকাৰীৰ সৈতে মত বিনিময় কৰে। দেশৰ নাৰীসকলৰ মাজত উদ্যমিতা সৃষ্টি আৰু তেওঁলোকৰ আৰ্থিক সবলীকৰণৰ উদ্দেশ্যে প্ৰধানমন্ত্ৰী মোডীয়ে ২০২৩চনৰ ১৫ আগষ্টত লাখপতি দিদি আঁচনিৰ শুভাৰম্ভ কৰিছিল। এই আঁচনিৰ অধীনত কৃষি, পশুপালন আৰু ক্ষুদ্ৰ উদ্যোগৰ জৰিয়তে বছৰি কমেও এক লাখ টকা অৰ্জন কৰা আত্মসহায়ক গোটৰ মহিলা সদস্যসকলক লাখপতি দিদি হিচাপে স্বীকৃতি দিয়া হয়। এইসকল মহিলাই চৰকাৰৰ পৰা আৰ্থিক সাহায্য আৰু বৃত্তিগত প্ৰশিক্ষণ লাভ কৰে। গুজৰাটত  প্ৰায় ডেৰ লাখ মহিলাই বছৰি এক লাখ বা ততোধিক টকা উপাৰ্জন কৰি লাখপতি দিদিৰ স্বীকৃতি লাভ কৰিছে।

প্ৰধানমন্ত্ৰীয়ে আজি নৰছাৰীৰ বংশী-বৰছিত লাখপতি দিদি সন্মিলনত উপস্থিত থাকিব। এই অনুষ্ঠানত শ্ৰীমোডীয়ে ২৫ হাজাৰৰো অধিক আত্মসহায়ক গোটৰ মহিলা সদস্যসকলক ৪৫০ কোটি টকাৰ আৰ্থিক সাহায্য বিতৰণ কৰিব। প্ৰধানমন্ত্ৰীয়ে লাখপতি দিদি সকলক **লাখপতি দিদি** প্ৰমাণপত্ৰৰে সন্মানিত কৰিব। শ্ৰীমোডী দুদিনীয়া ভ্ৰমণসূচীৰে কালি ৰাজ্যখনত উপস্থিত হৈছিল।

০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আন্তৰ্জাতিক নাৰী দিৱস উপলক্ষে আজি এদিনৰ বাবে তেওঁৰ সামাজিক মাধ্যমৰ একাউণ্ট অনুপ্ৰেৰণাদায়ক নাৰীসকলৰ হাতত অৰ্পণ কৰে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত প্ৰধানমন্ত্ৰীয়ে কয়, যে আজি পুৱাৰেপৰা তেওঁৰ একাউণ্টৰ জৰিয়তে বিভিন্ন ক্ষেত্ৰত অতুলনীয় সাফল্য লাভ কৰা নাৰীসকলে আন নাৰীক প্ৰভাৱিত কৰিব পৰাকৈ তেওঁলোকৰ অভিজ্ঞতাৰ কথা প্ৰচাৰ কৰিছে। এই মহিলাসকল ভাৰতৰ বিভিন্ন প্ৰান্তৰ আৰু বিভিন্ন ক্ষেত্ৰত তেওঁলোক দক্ষতাপূৰ্ণ বুলি উল্লেখ কৰি শ্ৰীমোডীয়ে কয়, যে তেওঁলোক ভাৰতৰ নাৰী শক্তিৰ প্ৰতীক হিচাপে উদ্ভাসিত হৈ উঠিছে। তেওঁ কয়, যে এই সকল নাৰীৰ দৃঢ়তা আৰু সাফল্যই সকলোকে নাৰীৰ মাজত অন্তৰ্হিত হৈ থকা অসীম শক্তিৰ কথা মনত পেলাই দিয়ে। বিকশিত ভাৰতৰ জৰিয়তে দেশে এইসকল নাৰীৰ অৱদানক ৰোমন্থন কৰিছে বুলিও প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে।

প্ৰধানমন্ত্ৰীৰ এক্স হেণ্ডেলৰ জৰিয়তে **সমৰ্থম**ৰ প্ৰতিষ্ঠাতা অঞ্জলি আগৰৱালাই কয়, যে তেওঁ ৰূপান্তৰৰ এটা ফিৰিঙতি হ'ব খোজে আৰু কামত প্ৰবৃত্ত হ'ব খোজে। তেওঁ সুগম্য ভাৰতক শক্তিশালী কৰাৰ বাবে সকলোকে আহ্বান জনাই আৰু ইয়াক বিকশিত ভাৰতত উপনীত হোৱাৰ অন্যতম গুৰুত্বপূৰ্ণ মাধ্যমত পৰিণত কৰাত গুৰুত্ব দিয়ে। তেওঁ লগতে কয়, যে প্ৰতিগৰাকী মহিলাই মৰ্যাদা সহকাৰে আৰু স্বাধীনভাবে জীৱন উদযাপন কৰাটো নিশ্চিত হোৱা উচিত।

সামাজিক উদ্যমী আজাইটা শ্বাহে কয়, যে ভাৰতে নাৰীৰ আৰ্থিক সবলীকৰণত নেতৃত্ব গ্ৰহণ কৰিছে। তেওঁ কয়, যে আৰ্থিকভাৱে সবল এগৰাকী নাৰী নিজৰ ভৱিষ্যত গঢ়োতা হৈ উঠাৰ উপৰি সিদ্ধান্ত গ্ৰহণ আৰু স্বাধীন চিন্তাৰে আধুনিক ভাৰতৰ একোগৰাকী নিৰ্মাতা হৈ উঠিব পাৰে।

পাৰমাণৱিক বিজ্ঞানী এলিনা মিশ্ৰ আৰু মহাকাশ বিজ্ঞানী শিল্পী ছোনিয়েও তেওঁলোকৰ নিজৰ নিজৰ অভিজ্ঞতা প্ৰধানমন্ত্ৰীৰ সামাজিক মাধ্যমৰ জৰিয়তে ব্যক্ত কৰে।

০০০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আন্তৰ্জাতিক নাৰী দিৱস উপলক্ষে সকলোকে শুভেচ্ছা জনাইছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত ৰাষ্ট্ৰপতিগৰাকীয়ে কয়, যে নাৰীসকলৰ সাফল্য আৰু অৱদানক স্বীকৃতি দিয়াৰ বাবেই এই দিৱস পালন কৰা হৈ আহিছে। তেওঁ কয়, যে দেশৰ ভগ্নী আৰু কন্যাসকলে সকলো বাধা অতিক্ৰম কৰাৰ দিশে আগবাঢ়িছে আৰু চৰকাৰে নাৰীৰ অধিকাৰ, সমতা তথা সবলীকৰণক শক্তিশালী কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিছে। শ্ৰীমতী মুৰ্মুৱে দেশৰ প্ৰতিজন লোককে জীৱন যাত্ৰাত নাৰীসকলক সমৰ্থন কৰিবলৈ আৰু কোনো যাতে পিছপৰি নৰয় সেয়া নিশ্চিত কৰিবলৈ আহ্বান জনায়। প্ৰতিজন নাগৰিকৰ সমান অৱদান আৰু লিংগ সমতাপূৰ্ণ বিশ্ব গঢ়ি তোলাত গুৰুত্ব দি ৰাষ্ট্ৰপতিয়ে কয়, যে এনে এখন সমাজতহে মহিলাসকলে নিৰ্ভয়ে তেওঁলোকৰ সপোন বাস্তৱায়িত কৰিব পাৰিব।

০০০০০০০০

উপ ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে দেশবাসীক আন্তৰ্জাতিক নাৰী দিৱসৰ শুভেচ্ছা জনাইছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত উপ ৰাষ্ট্ৰপতিগৰাকীয়ে কয়, যে নাৰী হৈছে সমাজৰ মেৰুদণ্ড স্বৰূপ, তেওঁলোকে নিজৰ নেতৃত্ব আৰু নিষ্ঠাৰ জৰিয়তে সমাজৰ গতিশীল পৰিৱৰ্তন আনিব পাৰে। তেওঁ উল্লেখ কৰে যে সঁচা অৰ্থত সবল সমাজ হৈছে সেইখন, য'ত নাৰীসকলৰ বিকাশ আৰু সিদ্ধান্ত গ্ৰহণত আগশাৰীৰ ভূমিকা থাকে। শ্ৰীধনখড়ে কয়, যে বিকশিত ভাৰতৰ বাবে নাৰীৰ নেতৃত্বৰ বিকাশ হৈছে অন্যতম প্ৰাথমিক প্ৰয়োজনীয়তা।

নাৰীসকলৰ বাবে বিস্তাৰিত, সমতাপূৰ্ণ আৰু প্ৰগতিশীল ভৱিষ্যত গঢ়ি তোলাৰ বাবে সকলোকে একেলগে কাম কৰিবলৈ উপ ৰাষ্ট্ৰপতিগৰাকীয়ে আহ্বান জনায়।

০০০০০০০০

আজি আন্তঃৰাষ্ট্ৰীয় নাৰী দিৱস। এই দিনটোতে ৰাষ্ট্ৰীয়, জাতিগত, ভাষিক, সাংস্কৃতিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক সীমাৰ পৰিধি নেওচি মহিলাসকলক তেওঁলোকৰ সাফল্যৰ বাবে সন্মান জনোৱা হয়। এই বছৰৰ আন্তঃৰাষ্ট্ৰীয় নাৰী দিৱসৰ বিষয়বস্তু হৈছে- সকলো মহিলা আৰু কিশোৰীৰ বাবে ঃ অধিকাৰ, সমতা, সবলীকৰণ। এই বিষয়বস্তুৰ জৰিয়তে প্ৰতিগৰাকী মহিলাৰ বাবে সমঅধিকাৰ, ক্ষমতা আৰু সুযোগ-সুবিধা সুনিশ্চিত কৰাৰ ক্ষেত্ৰত ব্যৱস্থা গ্ৰহণৰ পোষকতা কৰা হৈছে।

ৰাজ্যৰ বিভিন্ন প্ৰান্তত এই দিৱস উপলক্ষে আজি বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। মাজুলী জিলা মহিলা সমিতি আৰু আইন সাহায্য কোষৰ উদ্যোগত বনগাঁও আঞ্চলিক মহিলা সমিতিৰ সহযোগত পূব মাজুলীৰ বনগাঁৱত আজি দিনজোৰা কাৰ্যসূচীৰে আন্তৰ্জাতিক নাৰী দিৱস পালন কৰা হৈছে।

বাক্সা জিলাৰ জালাহ লক্ষ্মী মন্দিৰ প্ৰাংগণত আজি তৃণয়ন যোগ কেন্দ্ৰৰ উদ্যোগত আন্তৰ্জাতিক নাৰী দিৱস উপলক্ষে বিশেষ কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। এই উপলক্ষে পুৱা ৬ বজাত ৰাষ্ট্ৰীয় বঁটা প্ৰাপক খেলুৱৈ ঊষা নাথৰ পৰিচালনাত যোগাভ্যাস কৰা হয়। ইয়াৰ পাছত এখন আলোচনা সভা আয়োজন কৰা হয়।

ওদালগুৰি জিলাৰ বৰঙাজুলি চাহ বাগিচাতো আদিবাসী মহিলাসকলৰ মাজত আজি আন্তৰ্জাতিক নাৰী দিৱস উদ্‌যাপন কৰা হৈছে। আন্তৰ্জাতিক নাৰী দিৱসৰ পতাকা উত্তোলন কৰি অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে নাৰী সমাজৰ সমঅধিকাৰ, সমকল্যাণ আৰু সম্ভাৱনাৰ সুন্দৰ ভৱিষ্যতৰ বাবে মহিলাসকলক শুভেচ্ছা জনায় ।

০০০০০০০০

আন্তঃৰাষ্ট্ৰীয় নাৰী দিৱস উপলক্ষে আজি নতুন দিল্লীত **নাৰী শক্তিৰে বিকশিত ভাৰত** শীৰ্ষক এখন দিনজোৰা সমাৰোহৰ আয়োজন কৰা হৈছে। এই ৰাষ্ট্ৰীয় সমাৰোহখনত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে সভাপতিত্ব কৰিছে। সমাৰোহত ৰাষ্ট্ৰপতিগৰাকীয়ে কয়, যে নাৰী সমাজৰ অৱদানক সন্মান জনোৱাৰ উদ্দেশ্যেই প্ৰতিবছৰে আন্তৰ্জাতিক নাৰী দিৱস উদযাপন কৰা হয়। তেওঁ কয়, যে লিংগ সমতাৰ ক্ষেত্ৰত নিজকে আগবঢ়াই নিয়াৰ বাবে এয়া হৈছে এটা সুন্দৰ আয়োজন।

এই সমাৰোহখনত এখন উচ্চ পৰ্যায়ৰ আলোচনা সত্ৰ আৰু তিনিখন কাৰিকৰী অধিবেশন অনুষ্ঠিত হ'ব। কেন্দ্ৰীয় মহিলা আৰু শিশু উন্নয়ন দপ্তৰৰ ৰাজ্যমন্ত্ৰী অন্নপূৰ্ণা দেৱী সমাৰোহখনত উপস্থিত আছে।

০০০০০০০০

আকাশবাণীৰ বাতৰি বিভাগে আন্তঃৰাষ্ট্ৰীয় নাৰী দিৱস কিছু ব্যতিক্ৰমীভাৱে উদযাপন কৰিছে। সেই অনুসৰি কালি মাজনিশাৰে পৰা আজি সমগ্ৰ দিনটোৰ হিন্দী আৰু ইংৰাজী ভাষাৰ বাতৰি মহিলা পৰিৱেশকসকলৰ দ্বাৰা পৰিৱেশনৰ দিহা কৰা হৈছে।

আন্তৰ্জাতিক নাৰী দিৱস উপলক্ষে আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগে আজি নিশা ৮ বাজি ২ মিনিটত বিশেষ দৃষ্টিপাত প্ৰচাৰ কৰিব। এই অনুষ্ঠানত বিভিন্ন প্ৰত্যাহ্বানৰ মাজেৰে কৰ্মক্ষেত্ৰত সফলতাৰে আগবাঢ়ি যোৱা তিনিগৰাকী নাৰীয়ে তেওঁলোকৰ অভিমত ব্যক্ত কৰিব। অনুষ্ঠানটোৰ আঁত ধৰিব

আকাশবাণী বাতৰি বিভাগৰ মুৰববী ৰাজীৱ লোচন বৰঠাকুৰে। ইয়াৰ উপৰি বাতৰি বিভাগে কাইলৈ সন্ধিয়া ৭ বাজি ৪৫ মিনিটত আন্তৰ্জাতিক নাৰী দিৱস সম্পৰ্কত এটা বিশেষ সংবাদ চলন্তিকা প্ৰচাৰ কৰিব।

আকাশবাণী গুৱাহাটী কেন্দ্ৰত আজি আন্তৰ্জাতিক নাৰী দিৱস উপলক্ষে এখন সভা আয়োজন কৰা হয়। এই সভাত মহিলা অনুষ্ঠান পৰিৱেশক, বাতৰি পৰিৱেশক তথা মহিলা কৰ্মচাৰীসকলক কেন্দ্ৰটোৰ পুৰুষ সহকৰ্মী আৰু কৰ্তৃপক্ষই সকলোকে একোপাহ ফুলেৰে আদৰণি জনায়। অনুষ্ঠানত বি বৰুৱা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপিকা ড০ জয়শ্ৰী বৰঠাকুৰ আৰু কটন বিশ্ববিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ মুৰববী অধ্যাপিকা ড০ অকুণ্ঠিতা বৰঠাকুৰ উপস্থিত থাকে। লেখিকা তথা আকাশবাণী গুৱাহাটীৰ শ্ৰোতা বকুলী বৈশ্য আৰু সবিতা কলিতাও এই অনুষ্ঠানত উপস্থিত থাকে। আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ অনুষ্ঠানসমূহৰ মুৰববী কৰ্ডলীনা থেংকিউৰে সভাত আদৰণি ভাষণেৰে সকলোকে শুভেচ্ছা জনায়।

আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰইও আন্তৰ্জাতিক নাৰী দিৱস উপলক্ষে আজি নাৰী অধিকাৰ আৰু সৱলীকৰণ সন্দৰ্ভত এলানি বিশেষ অনুষ্ঠান প্ৰচাৰ কৰিছে। এই উদ্দেশ্যে আজি পুৱা চাৰে সাত বজাৰ পৰা নিশা দহ বজালৈকে প্ৰচাৰ হ'বলগীয়া অনুষ্ঠানসমূহত মহিলা বিষয়ক আলোচনা প্ৰচাৰৰ ব্যৱস্থা কৰা হৈছে।

০০০০০০০০

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰে যোৱা নিশা উত্তৰ আয়াৰলেণ্ডৰ বেলফাষ্টত ভাৰতীয দূতাবাস মুকলি কৰে। অনুষ্ঠানত ভাষণ দি ড০ জয়শংকৰে কয়, যে এই দূতাবাসটোৱে ভাৰতীয় সম্প্ৰদাযৰ প্ৰয়োজনীয সেৱাসমূহ পূৰ কৰাত সহায়ক হ'ব। তেওঁ লগতে কয়, যে বেলফাষ্টৰ এই দূতাবাসটোৱে ভাৰত আৰু আয়াৰেলণ্ডৰ মাজত বাণিজ্য, প্ৰযুক্তি, ব্যৱসায আৰু শিক্ষা ক্ষেত্ৰৰ ভৱিষ্যতেও দ্বিপাক্ষিক সহযোগিতাৰ সম্ভাৱনা মুকলি কৰিব। বৈদেশিক পৰিক্ৰমা মন্ত্ৰীগৰাকীয়ে উত্তৰ আয়াৰেলণ্ডৰ উপ প্ৰধানমন্ত্ৰী এম লিটন পেংগলী আৰু কনিষ্ঠ মন্ত্ৰী এইছলিঙ ৰেইলিক সাক্ষাৎ কৰে।

আই চি চি চেম্পিয়নছ ট্ৰফী ক্ৰিকেট প্ৰতিযোগিতাৰ কাইলৈ ডুবাই ক্ৰিকেট ষ্টেডিয়ামত হ'বলগীয়া ফাইনেলত ভাৰত, নিউজিলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ইয়াৰ পূৰ্বে যোৱা বুধবাৰে লাহোৰত অনুষ্ঠিত দ্বিতীয়খন ছেমি ফাইনেলত নিউজিলেণ্ডে দক্ষিণ আফ্ৰিকাক পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰে। ইপিনে যোৱা মঙলবাৰে অনুষ্ঠিত প্ৰথমখন ছেমি ফাইনেলত ভাৰতে অষ্ট্ৰেলিয়াক পৰাস্ত কৰি ফাইনেলত স্থান নিশ্চিত কৰে। ফাইনেল খেলখনক লৈ ভাৰতীয় দৰ্শকৰ মাজত অভূতপূৰ্ব উৎসাহ পৰিলক্ষিত হৈছে।

০০০০০০০০

সমাপ্ত